**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিশ্বৰ এই সংকটৰ সময়তো ভাৰতে বিকাশৰ দ্ৰুত গতি অক্ষুন্ন ৰাখিছে।

৩। পশ্চিম এছিয়াৰ সংঘাট অব্যাহত থকাৰ সময়তে ডুবাইত থকা দুটা আমেৰিকাৰ আত্মগোপন ঘাটিত ইৰাণে আজি আক্ৰমণ চলায়।

৪। নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিক আজি গ্ৰেপ্তাৰ কৰা হয়। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ৪০ একৰ ভূমি সামৰি তদাৰক, মেৰামতি আৰু নবীকৰণ সুবিধা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে এয়া বিকশিত উত্তৰ প্ৰদেশ, বিকশিত ভাৰত অভিযানৰ এটা নতুন অধ্যায়। শ্ৰীমোদীয়ে প্ৰকাশ কৰে যে, বিগত এঘাৰ বছৰত আন্তঃগাথনিৰ বাজেট ৬ গুণলৈকে বৃদ্ধি কৰা হৈছে। তেওঁ উল্লেখ কৰে যে, দেশত ২০১৪ৰ আগলৈকে ২০ কিলোমিটাৰ ৰে'লপথ বৈদ্যুতিকীকৰণ কৰা হৈছিল, তেতিয়াৰ পৰা এতিয়ালৈকে ৪০ হাজাৰতকৈ অধিক ৰে'লপথ বৈদ্যুতিকীকৰণ কৰা হৈছে আৰু প্ৰায় এশ শতাংশ ব্ৰডগজ কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে কাশ্মীৰ উপত্যকা আৰু উত্তৰ পূৰৰ ৰাজধানীসমূহক ৰে'ল নেটৱৰ্কৰ দ্বাৰা সংযোগ কৰা হৈছে। তেওঁ কয়, যে ভাৰতে বিকশিত ভাৰত নিৰ্মাণৰ বাবে প্ৰয়োজনীয় সকলো খণ্ডতে দ্ৰুত গতিত কাম চলি আছে। শ্ৰীমোদীয়ে কয়, যে বিমান বন্দৰটোৰ পৰা আগ্ৰা, মথুৰা, আলীগড়, গাজিয়াবাদ, ইটাৱা আৰু ফৰিদাবাদকে ধৰি পশ্চিম উত্তৰ প্ৰদেশৰ ভালেমান জিলা উপকৃত হ'ব। বিমান বন্দৰটোৱে অঞ্চলটোৰ খেতিয়ক, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা যুৱ প্ৰজন্মৰ বাবে ভালেমান নতুন সুযোগ লৈ আহিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। পৰিবহন কেন্দ্ৰ হিচাপে অঞ্চলটোৰ ভূমিকাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে যে এই অঞ্চলটো দুটা মালবাহী কৰিড'ৰৰ কেন্দ্ৰ হৈ পৰিছে। মালবাহী ৰেলৰ বাবে স্থাপন কৰা বিশেষ ৰেলপথ যিয়ে উত্তৰ ভাৰতৰ - বঙ্গ আৰু গুজৰাটৰ সাগৰৰ সৈতে সংযোগ বৃদ্ধি কৰিছে। তেওঁ উল্লেখ কৰে যে দাদৰি হৈছে এই দুয়োটা কৰিড'ৰ একত্ৰিত হোৱা এটা কেন্দ্ৰ। অৰ্থাৎ ইয়াত কৃষকসকল আৰু উদ্যোগবিলাকে যি উৎপাদন কৰে সেই উৎপাদিত সামগ্ৰীবোৰ স্থলপথেৰে আৰু আকাশীযানেৰে বিশ্বৰ প্ৰতিটো কোণত অতি ক্ষীপ্ৰতাৰে

পঠিয়াব পৰা যায়। তেওঁ কয় যে এই বহুমুখী সংযোগ প্ৰণালীয়ে উত্তৰ প্ৰদেশক বিশ্বজুৰি বিনিয়োগকাৰীৰ বাবে এটা আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

তেওঁ জেৱৰ বিমান বন্দৰ উত্তৰ প্ৰদেশৰ প্ৰগতি আৰু উন্নয়নৰ প্ৰতীক হ'ব বুলি আশা প্ৰকাশ কৰে। প্ৰায় ১১ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে এই বিমান বন্দৰটো নিৰ্মাণ কৰা হৈছে। নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেশৰ সৰ্ববৃহৎ গ্ৰীণ ফিল্ড বিমানবন্দৰসমূহৰ অন্যতম। বিমান বন্দৰটোৰ উদ্বোধন দেশক গোলকীয় বিমান পৰিবহণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। বিমানবন্দৰটোৱে বছৰি আঢ়ৈ লাখ মেট্ৰিকটন সামগ্ৰী সৰবৰাহ কৰিব পৰা যাব আৰু এই পৰিমাণ প্ৰায় ১৮ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ থল আছে।

ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে যোৱা এমাহ ধৰি পশ্চিম এছিয়াত চলি থকা যুদ্ধৰ বাবে বহু দেশত খাদ্য, পেট্ৰল, ডিজেল, গেছ, সাৰ আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি হৈছে। তেওঁ উল্লেখ কৰে যে প্ৰতিখন দেশে এই সংকটৰ মোকাবিলা কৰিবলৈ প্ৰচেষ্টা কৰিছে। প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যে ভাৰতে দেশৰ নাগৰিকৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি পূৰ্ণ শক্তিৰে এই সংকটৰ সন্মুখীন হৈছে। তেওঁ কয়, যে ভাৰতে যুদ্ধবিধস্ত অঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ খাৰুৱা তেল আৰু গেছ আমদানি কৰে আৰু এই সংকটৰ বোজা যাতে সাধাৰণ জনসাধাৰণৰ ওপৰত নপৰে তাৰ বাবে চৰকাৰে সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰিছে। লগতে প্ৰধানমন্ত্ৰীয়ে কয়, যে এই সংকটৰ সময়তো ভাৰতে বিকাশৰ দ্ৰুত গতি অক্ষুন্ন ৰাখিছে। অনুষ্ঠানত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দি বেন পেটেল, মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ০০০

০০০০০

বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা সোমবাৰে **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলক সম্বোধন কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰত উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। শ্ৰীমোদীয়ে কয়, যে এনে উন্নয়নমূলক কাম-কাজৰ বাবে জনসাধাৰণে দ্বৈত ইঞ্জিন যুক্ত এন ডি এ চৰকাৰক পৰৱৰ্তী ৫ বছৰৰ বাবে সুযোগ দিয়াৰ সিদ্ধান্ত লৈছে।

শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ আন এটা পোষ্টত কয়, যে দ্বৈত ইঞ্জিনযুক্ত এন ডি এ চৰকাৰে বিগত ৫ বছৰত পুডুচেৰীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে আলোচনা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

০০০০০

পশ্চিম এছিয়াৰ সংঘাট অব্যাহত থকাৰ সময়তে ডুবাইত থকা দুটা আমেৰিকাৰ আত্মগোপন ঘাটিত ইৰাণে আজি আক্ৰমণ চলায়। ইৰাণৰ চৰকাৰী বাতৰি সংস্থাৰ মতে হজৰত খাতম আল আন্‌বিয়াৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ৰ মুখপাত্ৰগৰাকীয়ে কয় যে ইয়াৰ পূৰ্বে ইৰাণে অঞ্চলটোৰ ঘাটিসমূহত আক্ৰমণ কৰাৰ পিছত আমেৰিকা সামৰিক জোৱানসকলক এই ঠাইলৈ স্থানান্তৰিত কৰা হৈছে। ৫০০ তকৈ অধিক সৈন্য এই স্থানত উপস্থিত আছিল বুলি মুখপাত্ৰগৰাকীয়ে দাবী কৰে। ইপিনে, আমেৰিকাৰ কৰ্তৃপক্ষই এতিয়ালৈ এই সন্দৰ্ভত কোনো মন্তব্য দিয়া নাই।

০০০০০

নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিক আজি গ্ৰেপ্তাৰ কৰা হয়। বিগত বৰ্ষৰ ছেপ্তেম্বৰত দেশখনত জেন জি আন্দোলনৰ সময়ত তেওঁ চৰকাৰে কঠোৰভাৱে দমন কৰাৰ অভিযোগত অলি আৰু প্ৰাক্তন গৃহমন্ত্ৰী ৰমেশ লেখকক গ্ৰেপ্তাৰ কৰা হয়। নেপালৰ বলেন্দ্ৰ শ্বাহ নেতৃত্বাধীন নৱনিৰ্বাচিত চৰকাৰখনে জেন জি আন্দোলন তদন্ত আয়োগৰ প্ৰতিবেদন ৰূপায়নৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ এদিনৰ পাছতেই তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। তদন্ত আয়োগখনে ফৌজদাৰী অপৰাধৰ অধীনত অলি লেখক আৰু অন্যান্যসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। অলিক গ্ৰেপ্তাৰৰ পাছতেই তেওঁক স্বাস্থ্য পৰীক্ষাৰ বাবে ত্ৰিভূৱন বিশ্ববিদ্যালয় শৈক্ষিক চিকিৎসালয়লৈ লৈ যোৱা হয়। উল্লেখযোগ্য যে দেশখনত সংঘটিত জেন জি আন্দোলনত ৭৬ গৰাকী লোকৰ মৃত্যু হৈছিল।

কে পি শৰ্মাৰ গ্ৰেপ্তাৰ হোৱাৰ পাছতে তেওঁৰ সমৰ্থকবিলাক ক্ষোভিত হৈ কাঠমাণ্ডুৰ ৰাজপথলৈ ওলাই আহে আৰু তেওঁলোকে গ্ৰেপ্তাৰৰ প্ৰতিবাদ সাব্যস্ত কৰে। চি পি এন - ইউ এম এল দলৰ সমৰ্থকসকলে ৰাজপথত প্ৰতিবাদী সমদল বাহিৰ কৰে আৰু প্ৰতিবাদকাৰীসকলে নিষিদ্ধ এলেকাৰ দিশে আগবাঢ়িবলৈ চেষ্টা কৰোতে আৰক্ষীয়ে তেওঁলোকক বাধা প্ৰদান কৰে। তাৰ পাছতে আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয় আৰু পৰিস্থিতি কিছু উত্তেজনাপূৰ্ণ হৈ পৰিছিল। পৰৱৰ্তী সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক ছত্ৰভংগ কৰাবলৈ সক্ষম হয়। প্ৰতিবাদকাৰীসকলৰ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী শ্লোগান দি কে পি শৰ্মা অলিক শীঘ্ৰে মুক্তি দিয়াৰ দাবী জনায়।

00000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে ফ্ৰান্সত দেশখনৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনক কালি নিশা সাক্ষাৎ কৰে। উল্লেখযোগ্য যে শ্ৰীজয়শংকৰে ফ্ৰান্সত জি ছেভেনৰ বিদেশমন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে হোৱা আলোচনা আৰু তেওঁৰ অন্তৰ্দৃষ্টিৰ শলাগ লয়।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ক্ষন্তেক পাছতে এই উদ্বোধনী খেলখন আৰম্ভ হ'ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে'ত সমাপ্ত হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত খিতাপ অক্ষুন্ন ৰখাৰ যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্সে আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ নেতৃত্ব ঈষাণ কিষাণে বহন কৰিব। চেন্নাই ছুপাৰ কিংছৰ কিংবদন্তি খেলুৱৈ এম এছ ধোনীয়ে ভৰিৰ আঘাতৰ বাবে প্ৰতিযোগিতাৰ প্ৰথম দুসপ্তাহ ভাগ ল'ব নোৱাৰিব। চেন্নাই ছুপাৰ কিংছে আজি এটা বিবৃতি যোগে এই কথা প্ৰকাশ কৰে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আইয়ে পূৰ্বৰ দৰে এইবাৰ আই পি এলৰ উদ্বোধনী অনুষ্ঠান আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উদযাপনত ষ্টেডিয়ামৰ বাহিৰত হোৱা হেঁচা-ঠেলাত ১১ জন ক্ৰিকেট প্ৰেমীৰ মৃত্যুৰ প্ৰতি সন্মান জনাই বি চি চি আইয়ে এই সিদ্ধান্ত গ্ৰহণ

কৰিছে। নিহত ক্রিকেটপ্রেমী কেইগৰাকীৰ সোঁৱৰণত এইবাৰৰ প্রতিযোগিতাত ষ্টেডিয়ামত স্থায়ীভাৱে ১১ খন আসন খালী ৰখা হ'ব বুলি বি চি চি আইয়ে ঘোষণা কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ